জনসংযোগ, অসম
মুখ্যমন্ত্রীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১১২/২০২১

মৈত্ৰী আঁচনিৰ অধীনত হোজাই আৰক্ষী থানাৰ নৱনিৰ্মিত ভৱনৰ লগতে ভাৰ্চুৱেল ব্যৱস্থাৰে পুলিবৰ, হামৰেন আৰু সোণাৰী আৰক্ষী থানাৰ নৱনিৰ্মিত ভৱনৰ শুভ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

কংগ্ৰেছৰ কৰ্মৰাজিত দুৰ্নীতিৰ উপাদান নিহিত আছিল ঃ মুখ্যমন্ত্ৰী

দিছপুৰ, ১৪ ফেব্ৰুৱাৰী ঃ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি মৈত্ৰী আঁচনিৰ অধীনত হোজাই আৰক্ষী থানাৰ নৱনিৰ্মিত ভৱনৰ লগতে ভাৰ্চুৱেল ব্যৱস্থাৰে পুলিবৰ, হামৰেন আৰু সোণাৰি আৰক্ষী থানাৰ শুভ উদ্বোধন কৰে।

এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে আৰক্ষী থানাৰ আন্তঃগাঁথনি উন্নয়নকে ধৰি আৰক্ষী বাহিনীৰ শক্তিশালীকৰণৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ বাবে আজি অসম আৰক্ষীয়ে উল্লেখযোগ্য সফলতা দেখুৱাবলৈ সক্ষম হৈছে। কংগ্ৰেছৰ ৫৫ বছৰৰ শাসন কালত আৰক্ষী বিভাগক আধুনিকীকৰণৰ বাবে কোনো পদক্ষেপ গ্ৰহণ নকৰিলে। কংগ্ৰেছৰ চিন্তাত মলিনতা আছিল। কৰ্মসূচীত দুৰ্নীতিৰ উপাদান নিহিত আছিল। সেইবাবে তেওঁলোক লক্ষ্য ভ্ৰষ্ট হ'ল আৰু সমাজক তুচ্ছ জ্ঞান কৰিলে। এই অৱস্থাৰ পৰিৱৰ্তন সাধনৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ ফলত অসম আৰক্ষীয়ে নতুন চিন্তা আৰু নতুন দৃষ্টিভংগীৰে আগুৱাই যাবলৈ সাহস আৰু প্ৰেৰণা লাভ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে কয় যে জনসাধাৰণৰ জীৱন আৰু সম্পত্তি সুৰক্ষিত কৰাটো আৰক্ষীৰ গভীৰ দায়িত্ব। আৰক্ষীয়ে নিষ্ঠা আৰু সততাৰে কাম কৰিলে জনসাধাৰণৰ হৃদয় জয় কৰিব পাৰিব। বিজেপি নেতৃত্বাধীন বৰ্তমানৰ ৰাজ্য চৰকাৰে ভাল কাম কৰাৰ বাবে জনসাধাৰণে আদৰি লৈছে। অসম আৰক্ষীয়ে বিভিন্ন অপৰাধমূলক কাৰ্যকলাপৰ বিৰুদ্ধে তৎকালীনভাৱে পদক্ষেপ গ্ৰহণ কৰি আহিছে। অভিযোগনামা সময়মতে দাখিল কৰা বাবে অপৰাধীৰ বিৰুদ্ধে শাস্তি প্ৰদান কৰাটো সম্ভৱ হৈ উঠিছে। অসম আৰক্ষীয়ে অপৰাধমূলক কাৰ্যৰ যোগ্য প্ৰত্যুত্তৰ দিব লাগিব। কংগ্ৰেছে দুৰ্নীতিৰ বিৰুদ্ধে সৱল পদক্ষেপ ল'ব পৰা নাছিল। আজি দুৰ্নীতিৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰা বাবে সমাজলৈ এক বাৰ্তা গৈছে। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আদৰ্শৰে বৰ্তমানৰ ৰাজ্য চৰকাৰে স্মাৰ্ট আৰক্ষী গঢ়াৰ দিশত আত্মনিয়োগ কৰি আহিছে। সকলো ক্ষেত্ৰতে আজি স্মাৰ্টনেছৰ প্ৰয়োজন বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে পৰম্পৰাগতভাৱে আগবাঢ়িলে আজিৰ প্ৰতিযোগিতামুখী বিশ্বত পিছুৱাই থাকিব লাগিব। বৰ্তমানৰ ৰাজ্য চৰকাৰে ৰাজ্যখনক সৰ্বাংগীন বিকাশৰ দিশেৰে আগুৱাই নিয়াৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

অসম আৰক্ষীৰ সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্তই আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত বিধায়ক দ্বয় ক্ৰমে শিলাদিত্য দেব আৰু শিবু মিশ্ৰ, অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ জয়ন্ত মল্ল বৰুৱা, অসম আৰক্ষী গৃহ নিৰ্মাণ নিগমৰ পৰিচালন সঞ্চালক অৰবিন্দ কলিতা, হোজাই জিলাৰ উপায়ুক্ত, আৰক্ষী অধীক্ষককে ধৰি শীৰ্ষ বিষয়াসকল উপস্থিত আছিল।

পুঃডেঃ
১৪/০২/২০২১